অধ্যায় ১১ ঃ কৃৎ প্রত্যয়

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য

১১.২ পৰিচয়

১১.৩ প্রত্যয়ৰ শ্রেণীবিভাগ

১১.৪ কৃৎ প্রত্যয়সমূহ

- ১১.৪.১ ক্ত্বাচ্ আৰু ল্যপ্ প্রত্যয়
- ১১.৪.২ ক্ত আৰু ক্তৰতু প্রত্যয়
- ১১.৪.৩ তুমুন্ প্রত্যয়
- ১১.৪.৪ শতৃ আৰু শানচ্ প্রত্যয়
- ১১.৪.৫ ক্বসু আৰু কানচ্ প্রত্যয়
- ১১.৪.৬ স্যতৃ আৰু স্যমান প্রত্যয়
- ১১.৪.৭ কৃত্য প্রত্যয়

১১.৫ সংক্ষিপ্ত প্রত্যয় সূচী

১১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১১.৭ অধিক জানিবলৈ

১১.৮ অগ্রগতিৰ খতিয়ান

১১.৯ আৰ্হি প্রশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- প্রত্যয় সম্বন্ধে সামান্য ধাৰণা লাভ কৰিব পাৰিব
- প্রত্যয়ৰ বিভাগ সম্বন্ধে জ্ঞান লাভ কৰিব
- কৃৎ প্রত্যয়সমূহৰ বিষয়ে অৱগত হ'ব পাৰিব
- প্রত্যয়ান্ত শব্দবোৰৰ আকৃতিগত পৰিৱর্তনসমূহৰ বিষয়েও জ্ঞান লাভ কৰিব।


১১.২ পৰিচয়

ইতিমধ্যে ইয়াৰ আগৰ অধ্যায়সমূহত আপুনি প্রত্যয় সম্বন্ধে কিছু পৰিমাণে অৱগত হৈছে। সংস্কৃত ভাষাৰ ধাতু আৰু প্রাতিপদিকজনিত শব্দসমূহত সাধাৰণতে কিছুমান বর্ণ অথবা বর্ণসমষ্টি যোগ হয়। ধাতুৰ পিছত যোগ হোৱা তি, তস্, অন্তি আদি আৰু প্রাতিপদিকৰ পিছত যোগ হোৱা সু, ঔ, জস্, আদি বিভক্তিসমূহৰ বিষয়ে আপুনি ইতিমধ্যে অৱগত হৈ আহিছে।

ধাতু আৰু প্ৰাতিপদিকৰ পিছত বিভক্তিৰ চিনসমূহ যোগ হোৱাৰ নিচিনাকৈ, এইবোৰৰ পিছত সংস্কৃত ভাষাত আৰু কিছুমান চিন যোগ হয়, যাক প্ৰত্যয় বুলি কোৱা হয়। এই প্ৰত্যয়সমূহ যোগ হৈ একো একোটা নতুন শব্দ সাধিত হয়। এই প্ৰত্যয়সমূহ বিভিন্ন অৰ্থত ব্যৱহাৰ কৰা হয়।

ধাতুৰ পিছত যোগ হোৱা প্ৰত্যয়সমূহক কৃৎ প্ৰত্যয় আৰু প্ৰাতিপদিকৰ পিছত যোগ হোৱা প্ৰত্যয়সমূহক তদ্ধিত প্ৰত্যয় বোলে। এই অধ্যায়টিত আপুনি কৃৎ প্ৰত্যয়ৰ বিষয়ে বিস্তৃতভাৱে জানিব পাৰিব।

১১.৩ প্ৰত্যয়ৰ শ্ৰেণীবিভাগ



প্ৰত্যয়সমূহক সাধাৰণতে পাঁচ প্ৰকাৰত ভাগ কৰা হৈছে। এই বিভাগকেইটা হ'ল— বিভক্তি প্ৰত্যয়, কৃৎ প্ৰত্যয়, তদ্ধিত প্ৰত্যয়, স্ত্ৰীপ্ৰত্যয় আৰু ধাত্ববয়ৱ।

বিভক্তি প্ৰত্যয় ঃ ধাতুৰ পিছত তি, তস্ (ঃ), অন্তি আদি আৰু প্ৰাতিপদিকৰ পিছত সু (ঃ), ঔ, জস্ (অঃ) আদি যিবোৰ প্ৰত্যয় যোগ হয়, তাকে বিভক্তি প্ৰত্যয় বোলে। যেনে— ভূ + তি = ভৱতি; নৰ + সু (ঃ) = নৰঃ।

কৃৎ প্ৰত্যয় ঃ ধাতুৰ পিছত তব্য, ক্ত্বাচ্, ল্যপ্ আদি যিবোৰ প্ৰত্যয় যোগ কৰা হয়, তাকে কৃৎ প্ৰত্যয় বোলা হয়। যেনে— কৃ + তব্য = কৰ্তব্যম্।

তদ্ধিত প্ৰত্যয় ঃ প্ৰাতিপদিকৰ পিছত যিবোৰ প্ৰত্যয় যোগ কৰা হয়, তাকে তদ্ধিত প্ৰত্যয় বোলে। যেনে— বুদ্ধি + মতুপ্ = বুদ্ধিমৎ (বুদ্ধিমান), মেধা + ৱিনি = মেধাৱিন্ (মেধাৱী)।

স্ত্ৰী প্ৰত্যয় ঃ স্ত্ৰীলিঙ্গ বুজাবলৈ টাপ্ (আ), ঙীপ্ (ঈ) আদি যিবোৰ প্ৰত্যয়ৰ যোগ হয়, তাকে স্ত্ৰী-প্ৰত্যয় বোলে। যেনে— অজ্ + টাপ্ = অজা (মাইকী ছাগলী), দেৱ + ঙীপ্ = দেৱী।

ধাত্ববয়ৱ ঃ ধাতুৰ পিছত ই (নিচ্), স (সন্) আদি আৰু প্ৰাতিপদিকৰ পিছত য, কাম্য আদি যিবোৰ প্ৰত্যয় যোগ হয়, তাকে ধাত্ববয়ৱ (Parts of Root) বোলে। যেনে— শ্রু + ণিচ্ (ই) = শ্রাবি; পুত্র + কাম্য + তি = পুত্রকাম্যতি।

১১.৪ কৃৎ প্ৰত্যয়সমূহ

সংস্কৃত ব্যাকৰণত বিভিন্ন ধৰণৰ কৃৎপ্ৰত্যয়ৰ উল্লেখ পোৱা যায়। সেইবোৰ হ'ল— ক্ত্বাচ্, ল্যপ্, ক্ত, ক্তবতু, তুমুন, শতৃ, শানচ্, ক্বসু, কানচ্, স্যতৃ, স্যমান, কৃত্য আৰু অন্যান্য বহুতো। এই আটাইবোৰ প্ৰত্যয় এতিয়া আপুনি উদাহৰণৰ সৈতে তলত পৰ্য্যায়ক্ৰমে অধ্যয়ন কৰিব পাৰিব। প্ৰথমে ক্ত্বাচ্ আৰু ল্যপ্ প্ৰত্যয়ৰ বিষয়ে উল্লেখ কৰা হৈছে।

১১.৪.১ ক্ত্বাচ্ আৰু ল্যপ্ (যপ্) প্রত্যয় (Indeclinable Part Participles)

১) একেটা কৰ্ত্তাই দুটা ক্রিয়া কৰা বুজালে, আগতে সম্পাদন হোৱা ক্রিয়া বুজোৱা ধাতুটোৰ পিছত ক্ত্বাচ্ প্রত্যয় যোগ হয়। যেনে— বালকঃ বিদ্যালয়ং গত্বা (গম্ + ক্ত্বাচ্) পঠতি। বাক্যটোত থকা 'বালক' কৰ্ত্তাটোৱে 'যোৱা' আৰু 'পঢ়া' এই দুয়োটা কার্য্যই সম্পাদনা কৰিছে। ইয়াৰে ভিতৰত আগেয়ে সম্পাদন হোৱা 'যোৱা' বুজোৱা 'গম্' ধাতুৰ অন্তত ক্ত্বাচ্ প্রত্যয় যুক্ত হৈছে।

২) একেটা অর্থতে ধাতুৰ পিছত ল্যপ্ প্রত্যয়ো প্রয়োগ হয়, যদি ধাতুটোৰ আগত উপসর্গ অথবা আন কোনো উপপদ থাকে। যেনে— বালকঃ গুৰুং প্রণম্য (প্র - নম্ + ল্যপ্) পাঠং পঠতি। ('প্র' উপসর্গ, 'নম্' ধাতু আৰু 'ল্যপ্'টো প্রত্যয়)।

৩) ক্ত্বাচ্ প্রত্যয়টোৰ অকল 'ত্বা' অংশটোহে শব্দটোৰ পিছত থাকে। যেনে— দা + ক্ত্বাচ্ = দত্বা। আনহাতে ল্যপ্ প্রত্যয়টোৰ মাথোন 'য়' থাকে। যেনে— আ - দা + ল্যপ্ = আদায়। ('আ' উপসর্গ, 'দা' ধাতু আৰু ল্যপ্ টো প্রত্যয়)।

৪) নিষেধ অর্থ বুজোৱা অলং আৰু খলু শব্দৰ যোগত বিকল্পে ক্ত্বাচ্ প্রত্যয় হয়। যেনে— অলং ভূক্ত্বা, খলু গত্বা (যোৱাৰ দৰকাৰ নাই)

৫) নিষেধার্থক নঞ্ আগত থাকিলে ল্যপ্ৰ সলনি 'ক্ত্বাচ্' হে হয়। যেনে— ন কৃত্বা = অকৃত্বা, ন গত্বা = অগত্বা।

৬) ক্ত্বাচ্ আৰু ল্যপ্ প্রত্যয়ান্ত শব্দবিলাক অব্যয় আৰু অসমাপিকা ক্রিয়াৰূপে ব্যৱহাৰ কৰা হয়। গতিকে এই শব্দবিলাকৰ শব্দৰূপ কৰিব নোৱাৰি।

৭) তলত কেইটামান ক্ত্বাচ্ আৰু ল্যপ্ প্রত্যয়ান্ত শব্দ উদাহৰণৰ বাবে দিয়া হ'ল—

ক্ত্বাচ্	ল্যপ্
কৃ + ক্ত্বাচ্ = কৃত্বা	উপ - কৃ + ল্যপ্ = উপকৃত্য
গম্ + ক্ত্বাচ্ = গত্বা	উপ - গম্ + ল্যপ্ = উপগম্য/উপগত্য
ভূ + ক্ত্বাচ্ = ভূত্বা	উপ - ভুজ্ + ল্যপ্ = উপভোগ্য
ভুজ্ + ক্ত্বাচ্ = ভুক্ত্বা	প্র - নম্ + ল্যপ্ = প্রণম্য/প্রণত্য
পা + ক্ত্বাচ্ = পীত্বা	প্র - বদ্/বচ্ + ল্যপ্ = প্রোচ্য
স্থা + ক্ত্বাচ্ = স্থিত্বা	আ - দা + ল্যপ্ = আদায়
দৃশ্ + ক্ত্বাচ্ = দৃষ্ট্বা	বি - জ্ঞা + ল্যপ্ = বিজ্ঞায়
প্রচ্ছ্ + ক্ত্বাচ্ = পৃষ্ট্বা	প্র - বিশ্ + ল্যপ্ = প্রৱিশ্য
শ্রু + ক্ত্বাচ্ = শ্রুত্বা	আ - নী + ল্যপ্ = আনীয়
লভ্ + ক্ত্বাচ্ = লব্ধ্বা	প্র - আপ্ + ল্যপ্ = প্রাপ্য
দা + ক্ত্বাচ্ = দত্বা	আ - গম্ + ল্যপ্ = আগম্য/আগত্য
দহ্ + ক্ত্বাচ্ = দগ্ধ্বা	আ - হেব + ল্যপ্ = আহূয়

হন্ + ক্ত্বাচ্ = হত্বা
চিন্তি + ক্ত্বাচ্ = চিন্তয়িত্বা
পঠ্ + ক্ত্বাচ্ = পঠিত্বা
গ্রহ্ + ক্ত্বাচ্ = গৃহীত্বা
মৃ + ক্ত্বাচ্ = মৃত্বা
বচ্ + ক্ত্বাচ্ = উক্ত্বা
বদ্ + ক্ত্বাচ্ = উদিত্বা
বস্ + ক্ত্বাচ্ = উষিত্বা
বহ্ + ক্ত্বাচ্ = উঢ্বা
যজ্ + ক্ত্বাচ্ = ইষ্ট্বা
স্বপ্ + ক্ত্বাচ্ = সুপ্ত্বা
ন + জ্ঞা + ক্ত্বাচ্ = অজ্ঞাত্বা

উৎ - স্থা + ল্যপ্ = উত্থায়
পৰি - গ্রহ্ + ল্যপ্ = পৰিগৃহ্য
অধি - ই + ল্যপ্ = অধীত্য
আ - শ্রি + ল্যপ্ = আশ্রিত্য
বি - জি + ল্যপ্ = বিজিত্য
আ - লোচ্ + ণিচ্ (লোচি) + ল্যপ্ = আলোচ্য
অধি - ই + ণিচ্ (আপি) + ল্যপ্ = অধ্যাপ্য
অব - লোক্ + ণিচ্ (লোকি) + ল্যপ্ = অবলোক্য
বি - ৰম্ + ণিচ্ + ল্যপ্ = বিৰম্য
সম - আপ্ + ণিচ্ + ল্যপ্ = সমাপ্য



জানি থোৱা ভাল

১) বচ্, বদ্, বস্, বহ্ আদি ধাতুৰ ক্ত্বাচ্ প্রত্যয়ৰ যোগত 'ৱ'ৰ ঠাইত 'উ' আৰু যজ্ ধাতুৰ 'য'ৰ ঠাইত ই হয়। যেনে—
বচ্ + ক্ত্বাচ্ = উক্ত্বা, যজ্ + ক্ত্বাচ্ = ইষ্ট্বা।

২) ল্যপ্ প্রত্যয়ৰ যোগত 'ণিচ্' প্রত্যয়ৰ 'ই'ৰ লোপ হয়। যেনে— আ - লোচ্ + নিচ্ (লোচি) + ল্যপ্ = আলোচ্য।

৩) ল্যপ্ প্রত্যয় পিছত থাকিলে হন্ (হত্যা কৰা) ধাতুৰ অন্তত থকা ন-কাৰৰ ঠাইত ত-কাৰ হয়। যেনে— নি - হন্ + ল্যপ্ = নিহত্য।

১১.৪.২ ক্ত আৰু ক্তৱতু প্রত্যয়

এতিয়া আপুনি 'ক্ত' আৰু 'ক্তবতু' প্রত্যয়ৰ বিষয়ে অধ্যয়ণ কৰিব পাৰিব।

১) অতীতকাল বুজাবলৈ ধাতুৰ পিছত ক্ত আৰু ক্তৱতু প্রত্যয় প্রয়োগ কৰা হয়।

২) এই দুয়োটা প্রত্যয়কে সাধাৰণতে একেলগে 'নিষ্ঠা' বুলি কোৱা হয়।

৩) ক্ত প্রত্যয়টোৰ অকল 'ত'হে থাকে। যেনে— নী + ক্ত = নীত। আনহাতে ক্তৱতু প্রত্যয়ৰ কেৱল 'তবৎ'হে থাকে। যেনে— নী + ক্তৱতু = নীতবৎ।

৪) সাধাৰণতে অতীত কালত কর্মবাচ্য আৰু ভাৱৰাচ্যত ক্ত প্রত্যয় প্রয়োগ কৰা হয়, আৰু কর্ত্তৃবাচ্যত ক্তৱতু প্রত্যয় কৰা হয়।

৫) ক্ত আৰু ক্তৱতু প্রত্যয়ান্ত শব্দ ক্রিয়া অর্থত সমাপিকা ক্রিয়াৰ দৰে হ'লেও, প্রয়োগ কৰাৰ ক্ষেত্রত ইয়াক সাধাৰণতে বিশেষণ শব্দৰ দৰেহে প্রয়োগ কৰা হয়।

৬) ক্তৰতু প্রত্যয়ান্ত শব্দ 'বুদ্ধিমৎ' শব্দৰ দৰে ৰূপ হ'ব। ক্ত প্রত্যয়ান্ত শব্দৰ ৰূপ পুংলিঙ্গ আৰু ক্লীৱলিঙ্গত সাধাৰণ অ-কাৰান্ত (যেনে— নৰ, দেৱ ইত্যাদি) শব্দৰ দৰে হয়। স্ত্রীলিঙ্গত আ-কাৰান্ত (যেনে— লতা) শব্দৰ দৰে হয়।

৭) ক্ত আৰু ক্তৰতু প্রত্যয়যুক্ত শব্দ যিহেতু বিশেষণ শব্দৰ দৰে প্রয়োগ কৰা হয়, গতিকে এই শব্দবোৰ যিটো বিশেষ্য পদৰ লগত সম্বন্ধিত হয়, সেই বিশেষ্য পদটোত থকা বিভক্তি, লিঙ্গ আৰু বচন অনুসৰণ কৰে।

৮) **উদাহৰণ—**

কর্ত্তৃবাচ্যত- পুংলিঙ্গত ঃ অহং চৌৰং ধৃতৱান্ (মই চোৰটো ধৰিছিলো) (ধৃ + ক্তৰতু + পুংলিঙ্গ প্রথমা একবচন)। ইয়াত কর্ত্তা 'অহং' পদটোৰ সৈতে 'ধৃতবৎ' পদটো সংযোগ হৈছে। 'অহং' পদটো পুলিঙ্গ বুলি ধৰি লোৱা হৈছে আৰু ই প্রথমা বিভক্তিৰ একবচনত আছে। গতিকে, ধৃতবৎ শব্দটোৰো পুংলিঙ্গৰ প্রথমা বিভক্তিৰ একবচনৰ ৰূপে ধৃতবান্ ইয়াত প্রয়োগ কৰা হৈছে।

স্ত্রীলিঙ্গত ঃ বৃক্ষস্য ছায়া ভূমৌ পতিতৱতী (গছৰ ছাঁ মাটিত পৰিছিল) (পৎ + ক্তৰতু + স্ত্রীলিঙ্গ প্রথমা একবচন)। ইয়াত 'ছায়া' শব্দটোৰ সৈতে পতিতবৎ —এই ক্তৰতু প্রত্যয়ান্ত শব্দটোৰ সংযোগ কৰা হৈছে। 'ছায়া' শব্দটো স্ত্রীলিঙ্গ আৰু ইয়াত প্রথমা বিভক্তিৰ একবচনত প্রযুক্ত হৈছে। গতিকে পতিতবৎ শব্দটো প্রথমতে ঈ-কাৰান্ত কৰি আৰু 'নদী' শব্দৰ দৰে ৰূপ কৰি প্রথমা বিভক্তিৰ একবচনত পতিতবতী কৰা হৈছে।

ক্লীৱলিঙ্গত ঃ বৃক্ষাৎ পুষ্পং পতিতবৎ (গছৰ পৰা ফুল সৰিছিল) (পৎ + ক্তৰতু + ক্লীৱলিঙ্গ, প্রথমা একবচন)। ইয়াত 'পুষ্প' শব্দটোৰ লগত ক্তৰতু প্রত্যয়ান্ত শব্দ পতিতবৎ শব্দটো সংযুক্ত হৈ আছে। 'পুষ্প' শব্দটো ক্লীৱলিঙ্গ আৰু ইয়াত প্রথমা বিভক্তিৰ একবচনত প্রয়োগ কৰা হৈছে। সেয়েহে পতিতবৎ শব্দটোৰ ক্লীৱলিঙ্গ কৰি ইয়াৰ প্রথমা বিভক্তিৰ একবচনৰ ৰূপ পতিতবৎ কৰা হৈছে।

কর্মবাচ্য - পুলিঙ্গত ঃ ময়া চৌৰঃ ধৃতঃ (মোৰ দ্বাৰা চোৰটো ধৰা হৈছিল) (ধৃ + ক্ত + পুংলিঙ্গ, প্রথমা একবচন)। ইয়াত ক্ত প্রত্যয়ান্ত শব্দ 'ধৃত' পদটো চৌৰ এই বিশেষ্য পদটোৰ সৈতে সংযোজিত। 'চৌৰ' শব্দটো পুংলিঙ্গ প্রথমা বিভক্তিৰ একবচনত প্রযুক্ত হৈছে। গতিকে ধৃত পদটোও অকাৰান্ত পুংলিঙ্গ শব্দ 'নৰ'ৰ দৰে প্রথমা বিভক্তিৰ একবচনত প্রযুক্ত হৈছে।

স্ত্রীলিঙ্গত ঃ ময়া লতা ধৃতা (মোৰ দ্বাৰা লতাডাল ধৰা হৈছিল) (ধৃ + ক্ত + স্ত্রীলিঙ্গ, প্রথমা একবচন)। ইয়াত ধৃতা পদটো লতা পদটোৰ লগত সংযোজিত হৈছে। লতা- এই বিশেষ্য পদটো আ-কাৰান্ত স্ত্রীলিঙ্গ আৰু ই প্রথমা বিভক্তিৰ একবচনত আছে। সেইকাৰণে ধৃত শব্দটো প্রথমতে আ-কাৰান্ত স্ত্রীলিঙ্গ কৰি লৈ, ইয়াক প্রথমা বিভক্তিৰ একবচনৰ ৰূপ দিয়া হৈছে।

ক্লীৱলিঙ্গত ঃ ময়া পুস্তকং ধৃতম্ (মোৰ দ্বাৰা কিতাপখন ধৰা হৈছিল) (ধৃ + ক্ত + ক্লীৱলিঙ্গ, প্রথমা একবচন)। ইয়াত ক্ত প্রত্যয়ান্ত 'ধৃত' পদটোৰ সৈতে পুস্তক পদটোৰ অর্থ সম্বন্ধ হৈছে। পুস্তক শব্দটো ক্লীৱলিঙ্গ আৰু ইয়াত প্রথমা বিভক্তিৰ একবচনত আছে। সেয়েহে ধৃত পদটোত অ-কাৰান্ত ক্লীৱলিঙ্গৰ (যেনে— ফলম্ শব্দ) দৰে ৰূপ কৰি প্রথমা বিভক্তিৰ একবচনত বহুওৱা হৈছে।

ভাৱবাচ্যত ঃ ক্ত প্রত্যয়ান্ত শব্দ সমাপিকা ক্রিয়াৰ দৰে প্রয়োগ হ'লে, সদায় ক্লীৱলিঙ্গৰ একবচনত প্রযুক্ত হয়। যেনে— তেন হসিতম্ (হস্ + ক্ত ক্লীৱলিঙ্গ, প্রথমা একবচন)।

ক্ত আৰু ক্তৱতু প্রত্যয়ান্ত শব্দৰ উদাহৰণ
(পুংলিঙ্গৰ প্রথমাৰ একবচনত প্রয়োগ)

ধাতু	ক্ত	ক্তৱতু
অদ্	জগ্ধঃ	জগ্ধৱান্
অস্	ভূতঃ	ভূতৱান্
গম্	গতঃ	গতৱান্
গৈ	গীতঃ	গীতৱান্
গ্রহ্	গৃহীতঃ	গৃহীতৱান্
জন্	জাতঃ	জাতৱান্
দা	দত্তঃ	দত্তৱান্
পা	পীতঃ	পীতৱান্
ভুজ্	ভুক্তঃ	ভুক্তৱান্
ভূ	ভূতঃ	ভূতৱান্
ৱহ্	ঊঢ়	ঊঢ়ৱান্
স্নিহ্	স্নিগ্ধঃ	স্নিগ্ধৱান্
স্থা	স্থিতঃ	স্থিতৱান্



জানি থোৱা ভাল

বাচ্য (Voice Change) ঃ সংস্কৃতত মুখ্যভাৱে তিনি প্রকাৰৰ বাচ্য আছে। সেইবোৰ হৈছে কর্তৃবাচ্য (Active Voice), কর্মবাচ্য (Passive Voice) আৰু ভাৱবাচ্য (Neuter Voice)। ইয়াৰ উপৰি আন এক প্রকাৰৰ বাচ্যও পোৱা যায়। সেইবিধ হৈছে— কর্মকর্তৃবাচ্য (Passive Active Voice)। তলত সংক্ষেপতে বাচ্যকেইবিধৰ বিষয়ে আলোচনা কৰা হ'ল—

১) **কর্ত্তৃবাচ্য ঃ** যি বাচ্যৰ বাক্যত কর্ত্তাত প্রথমা বিভক্তি, কর্মত দ্বিতীয়া বিভক্তি আৰু ক্রিয়াটো কর্ত্তাৰ পুৰুষ তথা বচন অনুসৰি ব্যৱহাৰ হয়, তাকেই কর্ত্তৃবাচ্য বোলে। কর্ত্তৃবাচ্যত কর্ত্তাটোৱেই প্রধান। যেনে— সঃ চন্দ্রং পশ্যতি। ত্বং পয়ঃ পিবসি। তে নৃত্যন্তি। অহম্ অস্মি।

২) **কর্মবাচ্য ঃ** যি বাচ্যৰ কর্ত্তাত তৃতীয়া বিভক্তি, কর্মত প্রথমা বিভক্তি আৰু ক্রিয়াটো কর্মৰ পুৰুষ তথা বচন অনুযায়ী ব্যৱহাৰ কৰা হয়, তাকেই কর্মবাচ্য বোলে। কর্মবাচ্যত কর্মটোৱেই প্রধান। কর্মবাচ্যৰ ধাতু আত্মনেপদী হয় আৰু ধাতুৰ পিছত প্রায়ক্ষেত্রতে এটা 'য' কাৰ যোগ হয়। যেনে— তেন চন্দ্রো দৃশ্যতে। ময়া পুস্তকং পঠ্যতে। তাভ্যাং গ্রামা গম্যন্তে।

৩) **ভাৱবাচ্য ঃ** কর্ম নথকা ধাতুৰ পাছত ভাৱবাচ্যৰ প্রয়োগ হয়। এই বাচ্যৰ বাক্যত কর্ত্তাত তৃতীয়া বিভক্তি হয়। ক্রিয়াপদত তিঙ্ প্রত্যয়ান্ত পদৰ ক্ষেত্রত লট্ আদি লকাৰৰ আত্মনেপদৰ প্রথম পুৰুষৰ একবচন হয়। যেনে— শিশুনা হস্যতে, তৈঃ নৃত্যতে, ময়া ত্রস্যতে। আনহাতে কৃৎ প্রত্যয়ান্ত শব্দৰ যোগত ক্লীৱলিঙ্গৰ প্রথমা বিভক্তিৰ একবচনৰ ৰূপ প্রযুক্ত হয়। যেনে— তেন গতম্, তেন হসিতম্।

৪) **কর্মকর্ত্তৃবাচ্য ঃ** যি বাক্যত কর্মই নিজে কর্ত্তাৰ দৰে কার্য্য কৰা দেখা যায় আৰু ক্রিয়াৰ ৰূপ কর্মবাচ্যৰ দৰেই হয়, তাকেই কর্মকর্তৃবাচ্যৰ বাক্য বোলে। এই বাচ্যত কর্মই কর্ত্তা হিচাপে থাকে আৰু তাক কর্মকর্ত্তা বোলা হয়। এই কর্মটোত প্রথমা বিভক্তি হয়। ইয়াত ক্রিয়া আত্মনেপদী হয় আৰু প্রায়ক্ষেত্রতে ধাতুৰ পিছত 'য' কাৰ যোগ হয়। যেনে—

কর্ত্তৃবাচ্য — গজঃ বৃক্ষং ভিনত্তি (হাতীটোৱে গছডাল ভাঙিছে)

কর্মকত্তৃবাচ্য — বৃক্ষঃ স্বয়মেব ভিদ্যতে। (গছডাল নিজে নিজে ভাঙিছে)

কর্ত্তৃবাচ্য — পাচকঃ ওদনং পচতি। (ৰান্ধনিয়ে ভাত বনাইছে)

কর্মকর্ত্তৃবাচ্য — ওদনঃ স্বয়মেব পচ্যতে। (ভাতখিনি নিজে নিজে ৰন্ধা হৈছে)



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ তলত দিয়া শব্দবোৰৰ প্রত্যয়বোৰ ভাঙি দেখুৱাওক ঃ

১) কৃত্বা ২) বিজ্ঞায় ৩) গৃহীত্বা

৪) গতঃ ৫) পীতৱান্

.....

.....

১১.৪.৩ তুমুন্

১) অসমীয়াৰ লৈ অর্থত সংস্কৃতত ধাতুৰপিছত তুমুন্ প্রত্যয়ৰ প্রয়োগ কৰা হয়। বালকঃ বিদ্যালয়ং পঠিতুম্ (পঠ্ + তুমুন্) গচ্ছতি। (ল'ৰাজন বিদ্যালয়লৈ পঢ়িবলৈ যায়)।

২) তুমুন্ প্রত্যয়টোৰ মাথোন তুম্ থাকে।

৩) তুমুন্ প্রত্যায়ান্ত শব্দবিলাক অব্যয়।

৪) তুমুন্ প্রত্যয়ান্ত শব্দকেইটামানৰ উদাহৰণ—

পা + তুমুন্ = পাতুম্ (পান কৰিবলৈ)	ই + তুমুন্ = এতুম্ (যাবলৈ)
গম্ + তুমুন্ = গন্তুম্ (যাবলৈ)	কৃ + তুমুন্ = কর্ত্তুম্ (কৰিবলৈ)
খাদ্ + তুমুন্ = খাদিতুম্ (খাবলৈ)	নী + তুমুন্ = নেতুম্ (লবলৈ)
ব্রূ, বচ + তুমুন্ = বক্তুম্ (কবলৈ)	ভূজ্ + তুমুন্ = ভোক্তুম্
(ভোগ কৰিবলৈ, খাবলৈ)	
সহ্ + তুমুন্ = সোঢুম্ (সহ্য কৰিবলৈ)	হস্ + তুমুন্ = হসিতুম্ (হাঁহিবলৈ)
হৃ + তুমুন্ = হর্তুম্ (হৰণ কৰিবলৈ)	গৈ + তুমুন = গাতুম্ (গাবলৈ)

১১.৪.৪ শতৃ আৰু শানচ্ (Present Participle)

ক) শতৃ প্রত্যয় ঃ

১) বর্তমান কাল আৰু অসমাপিকা কার্য্য বুজাবলৈ পৰস্মৈপদী ধাতুৰ পিছত, কর্ত্তৃবাচ্যৰ অর্থত শতৃ প্রত্যয়ৰ প্রয়োগ হয়।

২) শতৃ প্রত্যয়টোৰ কেৱল 'অৎ' অংশটোহে থাকে। যেনে— গম্ + শতৃ = গচ্ছৎ।

৩) শতৃ প্রত্যয়ান্ত শব্দ যদিও অসমাপিকা ক্রিয়া, তথাপি ই সাধাৰণতে কোনো এটা শব্দৰ বিশেষণ ৰূপেহে ব্যৱহাৰ কৰা হয়। যেনে— বালকঃ ধাবন্ (ধাব + শতৃ + প্রথমা একবচন) পঠতি (ল'ৰাটোৱে দৌৰি দৌৰি পঢ়িছে)। ইয়াত ধাবন্ শব্দটো বালক পদৰ বিশেষণ হিচাপে ব্যৱহৃত হৈছে।

৪) অসমীয়া ভাষাত ব্যৱহাৰ কৰা গৈ গৈ, নাচি নাচি, বহি থকা, দৌৰি থকা আদি অর্থ ব্যৱহাৰ কৰিবলৈ সংস্কৃতত শতৃ আৰু শানচ্ প্রত্যয়ৰ ব্যৱহাৰ কৰা হয়।

৫) শতৃ প্রত্যয়ান্ত শব্দবোৰ পুংলিঙ্গত 'গচ্ছৎ' শব্দৰ দৰে ৰূপ কৰি বাক্যত বিশেষণ ৰূপে ব্যৱহাৰ কৰা হয়। যেনে— অহং ধাবন্তং বালকং পশ্যামি (দ্বিতীয়া বিভক্তিৰ একবচনৰ ৰূপ)। স্ত্রীলিঙ্গত শতৃ প্রত্যয়ান্ত শব্দবোৰ 'নদী' শব্দৰ দৰে ৰূপ হয়। যেনে— গচ্ছন্তী স্ত্রী। আনহাতে ক্লীৱলিঙ্গত গচ্ছৎ শব্দৰ ক্লীৱলিঙ্গৰ দৰে ৰূপ কৰা হয়। যেনে— পতৎ ফলম্।

৬) **কেইটামান শতৃ প্রত্যয়ান্ত শব্দৰ উদাহৰণ—**

জি + শতৃ = জয়ৎ (পুলিঙ্গৰ প্রথমা একবচনত— জয়ন্)

দৃশ্ + শতৃ = পশ্যৎ,	কৃ + শতৃ = কুর্বৎ,	কৃ + নিচ্ + শতৃ = কাৰয়ৎ,
অচ্ + শতৃ = অর্চয়ৎ,	ক্রীড়্ + শতৃ = ক্রীড়ৎ,	গম্ + শতৃ = গচ্ছৎ
গৈ + শতৃ = গায়ৎ,	চল্ + শতৃ = চলৎ,	জ্ঞা + শতৃ = জানৎ
জীৱ + শতৃ = জীৱৎ,	পা + শতৃ = পিবৎ,	লিখ্ + শতৃ = লিখৎ
স্থা + শতৃ = তিষ্ঠৎ,	চিন্ত্ + শতৃ = চিন্তয়ৎ,	ইষ্ + শতৃ = ইচ্ছৎ

খ) শানচ্ প্রত্যয় ঃ

১) বর্তমান কালৰ আত্মনেপদী ধাতুৰ অন্তত অসমাপিকা কার্য্য বুজাবলৈ শানচ্ প্রত্যয় প্রয়োগ কৰা হয়। যেনে— পিতৰৌ সেৱমানাং কন্যাং পশ্য (মাক-দেউতাকক সেৱা কৰা ছোৱালীগৰাকীলৈ চোৱা)

২) শানচ্ প্রত্যয়টোৰ কেৱল 'আন' অংশটোহে থাকে। যেনে— শী + শানচ্ = শয়ান।

৩) কর্মবাচ্য আৰু ভাৱবাচ্যৰ সকলো ধাতুৰ পিছত সাধাৰণতে শানচ্ প্রত্যয়ৰ প্রয়োগ হয়।

৪) শানচ্ প্রত্যয়ান্ত শব্দবোৰ বিশেষণ শব্দ। কর্মবাচ্যত শানচ্ প্রত্যয়ান্ত শব্দবোৰ কর্মৰ বিশেষণ ৰূপে প্রযুক্ত হয়।

৫) শানচ্ প্রত্যয়ান্ত শব্দৰ পুংলিঙ্গত 'নৰ' শব্দৰ দৰে, স্ত্রীলিঙ্গত 'লতা' শব্দৰ দৰে আৰু ক্লীৱলিঙ্গত 'ফল' শব্দৰ দৰে ৰূপ কৰা হয়।

৬) ভ্বাদি, দিৱাদি, তুদাদি গণীয় ধাতুৰ পিছত 'শানচ্'ৰ 'আন'ৰ ঠাইত 'মান' হয়। যেনে— বৃৎ +শানচ্ = বর্তমান।

৭) **উদাহৰণ—**

ক) কৃ + শানচ্ = কুর্বান, ভূজ্ + শানচ্ = ভূঞ্জান, আস্ + শানচ্ = আসীন, অধি - ই + শানচ্ = অধীয়ান, গ্রহ্ + শানচ্ = গৃহ্মান, দা + শানচ্ = দদান, ধা + শানচ্ = দধান, ব্রূ + শানচ্ = ব্রুবাণ, বস্ + শানচ্ = বসান

খ) বৃধ্ + শানচ্ = বর্দ্ধমান, মৃ + শানচ্ = মৃয়মান, বিদ্+ শানচ্ = বিদ্যমান, জন্+ শানচ্ = জায়মান, মন্ + শানচ্ = মন্যমান, নী + শানচ্ = নয়মান,

গ) সেৱ + শানচ্ = সেৱ্যমান, পঠ্ + শানচ্ = পঠ্যমান
(এইকেইটা কর্মবাচ্যৰ অর্থ প্রকাশক শানচ্ প্রত্যয়)

৮) উভয়পদী ধাতুৰ অন্তত শতৃ আৰু শানচ্ উভয় প্রত্যয়ৰে প্রয়োগ হয়। যেনে— বহ্ + শতৃ = ৱহৎ, বহ্ + শানচ্ = বহমান।

১১.৪.৫ ক্বসু আৰু কানচ্ (Perfect Participles)

১) অতীত কালৰ অর্থ বুজাবলৈ পৰস্মৈপদী ধাতুৰ পিছত ক্বসু আৰু আত্মনেপদী ধাতুৰ পিছত কানচ্ প্রত্যয় প্রয়োগ কৰা হয়।

২) ক্বসু প্রত্যয়ৰ মাথোন ৰস্ থাকে আৰু কানচ্ প্রত্যয়ৰ মাথোন 'আন' থাকে। যেনে— কৃ + ক্বসু = চকৃৱস্, কৃ + কানচ্ = চক্রাণ।

৩) ক্বসু আৰু কানচ্ প্রত্যয়ান্ত পদৰ বিশেষণৰ দৰে প্রয়োগ হয় আৰু ইহঁতক শব্দৰূপ কৰি প্রয়োগ কৰা হয়।

৪) ক্বসু প্রত্যয়ান্ত শব্দ পুংলিঙ্গত জগ্মিৱস (মৃত হোৱা জন) শব্দৰ দৰে হয়। যেনে— বনে জগ্মিৱাসন্ (হন্ + ক্বসু + প্রথমা একবচন) সিংহঃ হিংস্রঃ আসীৎ, স্ত্রীলিঙ্গত 'নদী' শব্দৰ দৰে ৰূপ হয়। যেনে— বনে উষিৱসী (ৱস্ + ক্বসু + প্রথমা একবচন) স্ত্রী সন্ন্যাসিনী আসীৎ আৰু ক্লীৱলিঙ্গত 'মনস্' শব্দৰ দৰে ৰূপ হয়। যেনে— বনে উষিৱঃ (ৱস্ + ক্বসু + প্রথমা একবচন)মিত্রম্ স্বল্পভাষী আসীৎ।

৫) কানচ্ প্রত্যয়ান্ত শব্দৰ ৰূপ সাধাৰণতে পুংলিঙ্গত 'নৰ' শব্দৰ দৰে হয়। যেনে— ববন্দানঃ (বন্দ্ + কানচ্) ছাত্রঃ, স্ত্রীলিঙ্গত আকাৰান্ত 'লতা' শব্দৰ দৰে হয়, যেনে— ববন্দানা ছাত্রী আৰু ক্লীৱলিঙ্গত 'ফলম্' শব্দৰ দৰে হয়, যেনে— বৱন্দানং কলত্রম্।

৬) ক্বসু আৰু কানচ্ প্রত্যয়ান্ত শব্দৰ কেইটামান উদাহৰণ—

ক্বসু	**কানচ্**
শ্রু = শুশ্রুৱস্	যুধ্ = যুযুধান
বিদ্ = বিবিদ্বস্	ৰুচ্ = ৰুৰুচান
কৃ = চকৃৱস্	বন্দ = ববন্দান
ইৎ = ঈষিবস্	শিক্ষ = শিশিক্ষাণ
স্থা = তস্থিৱস্	ব্যথ্ = বিব্যথান
দা = দদিৱস্	সহ্ = সেহান
পা = পপিৱস্	কৃ = চক্রাণ
বচ্ = উচিৱস্	অনু - বচ্ = অনুচান
ৱস্ = উষিৱস্	
যজ্ = ইজিৱস্	
গম্ = জগ্মিৱস্/জগন্বস্	
হন্ = জঘ্নিৱস্ /জঘন্বস্	
দৃশ্ = দদৃশিৱস্ /দদৃশ্বস্	

১১.৪.৬স্যতৃ আৰু স্যমান (Future Participles)

১) ভৱিষ্যত কালৰ অর্থ বুজাবলৈ পৰস্মৈপদী ধাতুৰ পিছত কর্ত্তৃবাচ্যত স্যতৃ প্রত্যয়ৰ প্রয়োগ হয়। আনহাতে আত্মনেপদী ধাতুৰ পিছত কর্ত্তৃবাচ্যৰ অর্থত স্যমান প্রত্যয়ৰ প্রয়োগ হয়। যেনে— ব্যাঘ্রং হনিষ্যন (হন্ + স্যতৃ + পুংলিঙ্গ প্রথমা বিভক্তি একবচন)

পুৰুষো ব্যাধেন সহ বনং নিৰিশতে। অত্র বর্তিষ্যমানঃ (বৃৎ + স্যমান + পুংলিঙ্গ প্রথমা একবচন) কিং কৰিষ্যসি?

২) স্যতৃ প্রত্যয়ৰ কেৱল 'স্যৎ' অংশটোহে থাকে। যেনে— যা + স্যতৃ = যাস্যৎ। আনহাতে স্যমান প্রত্যয়ৰ গোটেইখিনিয়েই থাকে। যেনে— বৃৎ + স্যমান্ = বর্তিষ্যমান।

৩) স্যতৃ আৰু স্যমান্ প্রত্যয়ান্ত শব্দবিলাক বিশেষণ শব্দ আৰু এইবোৰে প্রত্যয়ান্ত শব্দটোৰ সৈতে অর্থসম্পন্ন বিশেষ্য শব্দটোৰ লিঙ্গ, বিভক্তি আৰু বচন অনুকৰণ কৰে।

৪) স্যতৃ প্রত্যয়ান্ত শব্দৰ শব্দৰূপ ইতিমধ্যে আলোচনা কৰি অহা শতৃ প্রত্যয়ান্ত শব্দৰ দৰে হয়। স্যমান প্রত্যয়ান্ত শব্দৰ শব্দৰূপ পুংলিঙ্গত অ-কাৰান্ত 'নৰ' শব্দৰ দৰে হয় আৰু স্ত্রীলিঙ্গঁত আ-কাৰান্ত 'লতা' শব্দৰ দৰে হয়।

৫) ভৰিষ্যৎ কালৰ ধাতুৰ পিছত কর্মবাচ্যৰ অর্থত স্যমান প্রত্যয় হয়। এই প্রত্যয়টো আত্মনেপদী ধাতুৰ পিছত সাধাৰণতে ব্যৱহাৰ হয়।

৬) **উদাহৰণ—**

স্যতৃ	স্যমান
কৃ + স্যতৃ = কৰিষ্যৎ	বৃৎ + স্যমান = ৱর্ত্তিষ্যমান
ভূজ্ + স্যতৃ = ভোক্ষ্যৎ	সহ্ + স্যমান = সহিষ্যমান
পূজ্ + স্যতৃ = পূজয়িষ্যৎ	কৃ + স্যমান = কৰিষ্যমান
গম + স্যতৃ = গমিষ্যৎ	ৰুচ্ + স্যমান = ৰোচিষ্যমান
ভূ + স্যতৃ = ভৰিষ্যৎ	



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ঃ তলত দিয়া প্রত্যয়ান্ত শব্দবোৰৰ প্রত্যয়বোৰ ভাঙি দেখুৱাওক ঃ

১) পাতুম্ ২) পশ্যৎ ৩) কুর্বান

৪) তস্থিৱস্ ৫) বর্ত্তিষ্যমান

.....

.....

১১.৪.৭কৃত্য প্রত্যয়

তব্য, অনীয়, যৎ, ণ্যৎ, ক্যপ্, কেলিম্

১) ওপৰোক্ত প্রত্যয়সমূহক একেলগে কৃত্য প্রত্যয় বুলি কোৱা হয়।

২) উচিত অর্থ, অনুজ্ঞা (আদেশ) আৰু ভৰিষ্যত কাল বুজাবলৈ কর্মবাচ্য আৰু ভাৱবাচ্যত এই প্রত্যয়বোৰ প্রয়োগ কৰা হয়।

৩) সাধাৰণতে বিধিলিঙৰ অর্থত এই প্রত্যয়বোৰ ব্যৱহাৰ কৰা হয়।

৪) সমাপিকা ক্রিয়া স্বৰূপে এই প্রত্যয়বোৰ ব্যৱহাৰ কৰিলেও, কিন্তু আচলতে এইবোৰ শব্দ বিশেষণ।

৫) কর্মবাচ্যত প্রয়োগ কৰা কৃত্য প্রত্যয়ান্ত শব্দবোৰ কর্মৰ বিশেষণ হয় আৰু এইবোৰ শব্দ পুংলিঙ্গত 'নৰ' শব্দৰ দৰে, স্ত্রীলিঙ্গত 'লতা' শব্দৰ দৰে আৰু ক্লীৱলিঙ্গত 'ফল' শব্দৰ দৰে হয়। আনহাতে ভাৱবাচ্যত প্রয়োগ কৰা কৃত্য প্রত্যয়ান্ত শব্দবোৰ কেৱল ক্লীৱলিঙ্গৰ একবচনতহে ৰূপ কৰা হয়। যেনে— কর্মবাচ্য — ময়া গ্রামো গন্তব্য (গম্ + তব্য) (মই গাঁৱলৈ যোৱা উচিত) ভাৱবাচ্য — ময়া স্থাতব্যম্ (স্থা + তব্য + প্রথমা একবচন, ক্লীৱলিঙ্গ)। (মই থকা উচিত)

৬) প্রত্যয়ান্ত শব্দবোৰৰ উদাহৰণ—

ক) তব্য ঃ ঔচিত্য অর্থত সকলো ধাতুৰ পাছত 'তব্য' প্রত্যয়ৰ প্রয়োগ হয়। যেনে— গম্ +তব্য = গন্তব্য, গম্ +নিচ্ +তব্য = গময়িতব্য, গ্রহ্ +তব্য = গ্রহীতব্য, দৃশ +তব্য = দ্রষ্টব্য, নী +তব্য = নেতব্য, পঠ্ +তব্য = পঠিতব্য, পূজ্ +তব্য = পূজয়িতব্য, পাল্ +তব্য = পালয়িতব্য।

খ) অনীয় ঃ তব্য প্রত্যয়ৰ অর্থতে 'অনীয়' প্রত্যয়ৰ প্রয়োগ কৰা হয়। যেনে— অর্চ + অনীয় = অর্চনীয়, কৃ + অনীয় = কৰণীয়, গম্ + অনীয় = গমনীয়, দৃশ্ + অনীয় = দর্শনীয়, পা + অনীয় = পানীয়, পাল্ +অনীয় = পালনীয়, পূজ্ + অনীয় = পূজনীয়, স্মৃ +অনীয় = স্মৰণীয়, ৰম্ +অনীয় = ৰমনীয়, হৃ +অনীয় = হৰণীয়, বচ্ + অনীয় = বচনীয়।

গ) যৎ ঃ 'ঋ'ৰ বাহিৰে অন্য স্বৰান্ত ধাতু (যেনে- চি ধাতু), অ-কাৰ ***উপধা***যুক্ত প-বর্গান্ত ধাতু (যেনে— শপ্ ধাতু), শক্, সহ্ ধাতু, আৰু উপসর্গহীন গদ্, মদ্ চৰ্ আৰু যম্ ধাতুৰ পাছত 'যৎ' প্রত্যয় হয়। যৎ প্রত্যয়ৰ অৱশিষ্ট 'য' থাকে। যেনে— শপ্ +যৎ = শপ্য, লভ্ +যৎ = লভ্য, চি + যৎ = চেয়, দা + যৎ = দেয়, গম্ + যৎ = গম্য, মদ্ + যৎ = মদ্য, চৰ্ +যৎ = চর্য্য, যম্ +যৎ = যম্য।

ঘ) ণ্যৎ ঃ ঔচিত্য অর্থত 'ঋ' কাৰান্ত (যেনে— কৃ ধাতু), ব্যঞ্জন-বর্ণান্ত (পঠ্) ধাতু, উপসর্গযুক্ত গদ্, মদ্, চৰ্ আৰু যম্ ধাতুৰ পাছত ণ্যৎ প্রত্যয় প্রয়োগ হয়। ণ্যৎ প্রত্যয়ৰ 'য' অংশটোহে থাকে। যেনে— কৃ + ণ্যৎ = কার্য্য, পঠ্ + ণ্যৎ = পাঠ্য, ত্যজ্ +ণ্যৎ = ত্যাজ্য, ধৃ + ণ্যৎ = ধার্য্য, নি - গদ্ +ণ্যৎ = নিগদ্য, প্র - মদ্ +ণ্যৎ = প্রমাদ্য, বি + চৰ্ +ণ্যৎ = বিচার্য্য, সম্ +যম্ +ণ্যৎ = সংযাম্য, গ্রহ্ + ণ্যৎ = গ্রাহ্য, ভুজ্ +ণ্যৎ = ভোজ্য, বচ্ +ণ্যৎ = বাচ্য, যুজ + ণ্যৎ = যোজ্য।

ঙ) ক্যপ্ ঃ ১) কর্মবাচ্যত আৰু ভাৱবাচ্যত ভৃ, কৃ, স্তু, শাস্, ই, জুষ্ ধাতুৰ পিছত ক্যপ্ প্রত্যয় হয়। ক্যপ্ প্রত্যয়ৰ 'য' অৱশিষ্ট হৈ থাকে। যেনে— ভৃ +ক্যপ্ = ভৃত্য, কৃ +ক্যপ্ = কৃত্য, স্তু +ক্যপ্ = স্তুত্য, শাস্ + ক্যপ্ = শিষ্য, ই + ক্যপ্ = ইত্য।



উপধা ঃ শব্দ এটাৰ শেষৰ বর্ণৰ আগৰ বর্ণটোক উপধা বোলে। যেনে— শক্ = শ্ + অ + ক্। ইয়াৰ ক্ বর্ণটোৰ আগৰ অ- বর্ণটো উপধা।

২) সুপ্ প্রত্যয়ান্ত শব্দৰ পাছত থকা হন্ ধাতুৰ পাছত ক্যপ্ প্রত্যয় হয়। 'হন্'ৰ 'ন'ৰ ঠাইত 'ত' হয় আৰু শব্দটো স্ত্রীলিঙ্গ হৈ আ-কাৰান্ত হয়। যেনে— ব্রহ্ম + হন্ +ক্যপ্ = ব্রহ্মহত্যা। সেইদৰে— গো - হন্ + ক্যপ্ = গোহত্যা, আত্মন্ + হন্ +ক্যপ্ = আত্মহত্যা।

চ) **কেলিম্** ঃ কর্মকর্ত্তৃবাচ্যত ধাতুৰ পাছত কেলিম প্রত্যয় হয়। এই প্রত্যয়টোৰ কেৱল 'এলিম' থাকে। যেনে— ভিদ্ + কেলিম্ = ভিদেলিম্, পচ্ +কেলিম্ = পচেলিম্।

১১.৫ সংক্ষিপ্ত প্রত্যয় সূচী

প্রত্যয়ৰ নাম	প্রযুক্ত অর্থ	ব্যৱহৃত অংশ	উদাহৰণ
ক্ত্বাচ্	দুটা কার্য্য বুজালে	ত্বা	দা + ক্ত্বাচ্ = দত্বা
ল্যপ্ (যপ্)	দুটা কার্য্য বুজালে	য়	আ- দা + ল্যপ্ = আদায়
ক্ত	অতীত কালৰ অর্থত	ত	নী + ক্ত = নীতঃ
ক্তৱতু	অতীত কালৰ অর্থত	তৱৎ	নী + ক্তৱতু= নীতবান্ (নীতবৎ)
তুমুন্	চতুর্থী বিভক্তিৰ অর্থত	তুম্	পা + তুমুন = পাতুম্
শতৃ	বর্তমান কাল	অৎ	গম্ + শতৃ = গচ্ছন্ (গচ্ছৎ)
শানচ্	বর্তমান কাল	আন/মান	শী + শানচ্ = শয়ান
			বৃৎ + শানচ্ = বর্তমান
ক্বসু	অতীত কাল	ৱস্	কৃ + ক্বসু = চকৃৱস্
কানচ্	অতীত কাল	কানচ্	কৃ + কানচ্ = চক্রাণ
স্যতৃ	ভৱিষ্যৎ কাল	স্যৎ	যা + স্যতৃ = যাস্যৎ
স্যমান	ভৱিষ্যৎ কাল	স্যমান	বৃৎ + স্যমান = বর্তিষ্যমাণ
তব্য	উচিত অর্থ	তব্য	গম্ + তব্য = গন্তব্য
অনীয়	উচিত অর্থ	অনীয়	কৃ + অনীয় = কৰণীয়
যৎ	উচিত অর্থ	য	লভ্ + যৎ = লভ্য
ণ্যৎ	উচিত অর্থ	য	কৃ + ণ্যৎ = কার্য্য
ক্যপ্	উচিত অর্থ	য	কৃ + ক্যপ্ = কৃত্য
কেলিম্	উচিত অর্থ	এলিম্	ভিদ্ + কেলিম্ = ভিদেলিম্



১১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়নৰ অন্তত আমি—

- প্রত্যয় সম্বন্ধে জ্ঞান লাভ কৰিলোঁ।

- কৃৎ প্রত্যয়ৰ বিষয়ে সম্যক জ্ঞান লাভ কৰিলোঁ।
- একেটা প্রত্যয়েই যে ভিন্ন অর্থত ব্যৱহৃত হয়, সেই বিষয়ে জানিলোঁ।
- প্রত্যয়ান্ত শব্দ সমূহৰ আকৃতিগত পার্থক্যসমূহৰ বিষয়েও জ্ঞান লাভ কৰিলোঁ।



১১.৭ অধিক জানিবলৈ

১) চক্ৰৱর্তী, মহেশ্বৰ (১৯৭৪); *সংস্কৃত ব্যাকৰণ প্ৰৱেশিকা*; গুৱাহাটী ঃ অসম ৰাজ্যিক পাঠ্যপুথি প্রণয়ন আৰু প্রকাশন নিগম লিমিটেড্।

২) বিদ্যাসাগৰ, ঈশ্বৰ চন্দ্র; *সমগ্র ব্যাকৰণ কৌমুদী*; কলিকতা ঃ দেৰ সাহিত্য কুটীৰ প্রাইভেট লিমিটেড্।

৩) ভট্টাচার্য্য, হৰিচন্দ্র (১৯৯৬); *সংস্কৃত ব্যাকৰণ প্রভা*; গুৱাহাটী ঃ বৰুৱা এজেন্সি।

৪) শর্মা, গিৰিধৰ (১৯৮৮); *Sanskrit Grammar Composition & Translation*; গুৱাহাটী ঃ ৰাধা প্রকাশন।

৫) শাস্ত্রী, খগেন্দ্র নাথ (১৯৮৫); *সংস্কৃত প্রৱেশ ব্যাকৰণ*; গুৱাহাটী ঃ গ্রন্থপীঠ।



১১.৮ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ ১) কৃ + ক্ত্বাচ্ ২) বি - জ্ঞা + ল্যপ্ ৩) গ্রহ্ + ক্ত্বাচ্
৪) গম্ + ক্ত ৫) পা + ক্তৱতু

২নং প্রশ্নৰ উত্তৰ ঃ ১) পা + তুমুন্ ২) দৃশ্ + শতৃ ৩) কৃ + শানচ্
৪) স্থা + ক্বসু ৫) বৃৎ + স্যমান



১১.৯ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন ঃ (৫০টা শব্দৰ ভিতৰত)

প্রশ্ন ১ ঃ তলত দিয়া শব্দবোৰৰ প্রত্যয়বোৰ ভাঙি দেখুৱাওক—

স্থিত্বা, আহূয়, দত্তঃ, স্থিতৱান্, গচ্ছৎ, গাতুম্, দদান, চক্রাণ, গম্য, হৰণীয়।

খ) চুটি প্রশ্ন ঃ (১৫০টা শব্দৰ ভিতৰত)

প্রশ্ন ১ ঃ ক্ত আৰু ক্তৱতু প্রত্যয়ৰ বিষয়ে টোকা লিখক।

গ) ৰচনাধর্মী প্রশ্ন ঃ (৩০০ শব্দৰ ভিতৰত)

প্রশ্ন ১ ঃ শতৃ আৰু শানচ্ প্রত্যয়ৰ বিষয়ে উদাহৰণেৰে সৈতে বুজাই লিখক।

*** ***** ***